IJCRT.ORG ISSN : 2320-2882

INTERNATIONAL JOURNAL OF CREATIVE RESEARCH THOUGHTS (IJCRT)
An International Open Access, Peer-reviewed, Refereed Journal

# আধুনিকতাবাদী কবি নীলিম কুমাৰৰ ' গুৱাহাটী ' কবিতাৰ এক সমীক্ষাত্মক অধ্যয়ন

**মনীষা শইকীয়া**

**গৱেষক, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী:অসম**

**সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, কটহগুৰি মহাবিদ্যালয়; নগাঁও: অসম**

**দূৰভাষ: ৮৬৩৮৬-৮৩৮৫৯**

**অধ্যাপক অজিত ভৰালী**

**মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ,**

**কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়,**

**নলবাৰী অসম**

**সাৰাংশ:**

আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত নীলিম কুমাৰ এখন এক উল্লেখযোগ্য নাম। তেওঁৰ কবিতা 'গুৱাহাটী' কবিতাত আধুনিক জীৱনৰ সংকট, নগৰ জীৱনৰ ব্যস্ততা, বিচ্ছিন্নতা আৰু মানৱিক বেদনাৰ গভীৰ প্ৰকাশ পোৱা যায়। কবিতাটিত গুৱাহাটী নগৰক কেৱল স্থান হিচাপে নহয়, এক মানসিক অৱস্থা হিচাপে প্ৰতিফলিত কৰা হৈছে। কবিয়ে নগৰজীৱনৰ কংক্ৰিট ভিৰত মানুহৰ একাকীত্ব, প্ৰেমৰ হ্ৰাস, সাংস্কৃতিক মূল্যবোধৰ ক্ষয় আদি দিশসমূহ আধুনিকতাবাদী দৃষ্টিভংগীৰে প্ৰতিপন্ন কৰিছে। তেখেতৰ ভাষা-প্ৰয়োগ, প্ৰতীকী চিত্ৰ, আৰু ৰূপকৰ ব্যৱহাৰে কবিতাখনক আধুনিক কবিতাৰ এক উৎকৃষ্ট নিদৰ্শন হিচাপে প্ৰতিষ্ঠিত কৰিছে। সাৰাংশত, 'গুৱাহাটী' কবিতা আধুনিক অসমীয়া কবিতাৰ নগৰ-কেন্দ্ৰিক মানসিকতা আৰু যুগচেতনাৰ এক জীৱন্ত দলিল।

**বীজ শব্দ:** আধুনিকতবাদী কবিতা, ঐতিহ্য, নীলিম কুমাৰ, গুৱাহাটী

**উদ্দেশ্য:**

এই অধ্যয়নটোৰ মুখ্য উদ্দেশ্য হ'ল নীলিম কুমাৰৰ 'গুৱাহাটী' কবিতাৰ মাধ্যমে আধুনিকতাবাদী কবিতাৰ মূল বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা। বিশেষকৈ, কবিতাটিত প্ৰতিফলিত নগৰ জীৱনৰ সংকট, মানৱিক একাকীত্ব, সময়চেতনা, প্ৰেম-অপ্ৰেমৰ দ্বন্দ্ব, আৰু আধুনিক সমাজৰ মূল্যবোধৰ পৰিৱৰ্তন আদি বিষয়ৰ আলোচনাৰ দ্বাৰা আধুনিকতাবাদী কবিতাৰ মূল সাৰ বুজাবলৈ এই অধ্যয়নটোৰ প্ৰচেষ্টা কৰা হৈছে।

**পদ্ধতি :**

এই অধ্যয়নটো মূলত বিষয় ভিত্তিক সমীক্ষাত্মক পদ্ধতিৰ আধাৰত সম্পন্ন কৰা হৈছে। আধুনিকতা বাদী কাব্য চিন্তাৰ বৈশিষ্ট্য সমূহ চিহ্নিত কৰি নীলিম কুমাৰৰ 'গুৱাহাটী' কবিতাটোত সেয়া কিদৰে প্ৰতিফলিত হৈছে, সেই দিশত বিশ্লেষণ কৰা হৈছে। কবিতাটোৰ ভাষা, ৰূপ, প্ৰতীক, চিত্ৰকল্প, সময় চেতনা, নগৰ জীৱনৰ সংকট, একাকীত্ব আদিৰ গভীৰ পৰ্যালোচনাৰ মাধ্যমে আধুনিকতাবাদী মনোভাৱ উন্মোচিত কৰা হৈছে। লগতে এই অধ্যয়নত— সাহিত্য সমালোচনাৰ আধুনিক ধাৰা অনুসৰি বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। প্ৰাসংগিক সাহিত্যিক উৎস, আলোচনামূলক গ্ৰন্থ, সমালোচনা আৰু সমীক্ষা গ্ৰন্থসমূহৰ সহায় লোৱা হৈছে। এই অধ্যয়নটো গৱেষণামূলক আৰু বিশ্লেষণাত্মক পদ্ধতিত আধাৰিত এক সমীক্ষাত্মক প্ৰয়াস।

**উৎস :**

এই অধ্যয়নটো "আধুনিকতাবাদী কবি নীলিম কুমাৰ"ৰ ৰচনা 'গুৱাহাটী' কবিতাক কেন্দ্ৰ কৰি গঢ়ি উঠা। কবি নীলিম কুমাৰ অসমীয়া আধুনিক কবিতাৰ এক প্ৰধান প্ৰতিনিধি। তেওঁৰ কবিতাসমূহত আধুনিক সমাজৰ সংকট, মানৱিক একাকীত্ব, নগৰজীৱনৰ যান্ত্ৰিকতা, সময়চেতনা আদি বিষয়সমূহ প্ৰধানভাৱে প্ৰতিফলিত হয়। 'গুৱাহাটী' কবিতাতো এই আধুনিক চিন্তা-চেতনা আৰু নগৰ জীৱনৰ বহুমুখী দিশৰ সৰল অথচ গভীৰ প্ৰতিফলন দেখা যায়। এই সমীক্ষাত্মক অধ্যয়নটো মূলতঃ নীলিম কুমাৰৰ কবিতা 'গুৱাহাটী'-ৰ আধুনিকতাবাদী বৈশিষ্ট্য, প্ৰতীকবোধ, ভাষা-শৈলী, অনুভূতিজগত আদি দিশসমূহ বিশ্লেষণৰ উদ্দেশ্যে নিৰ্মিত।

**মূল আলোচ্য বিষয়:**

আধুনিকতাবাদ (Modernism) বিংশ শতাব্দীৰ প্ৰথম ভাগৰ এক সাংস্কৃতিক আন্দোলন, যিয়ে শিল্প, সাহিত্য, সমাজ, দৰ্শন আৰু ৰাজনীতিৰ ক্ষেত্ৰত পৰম্পৰাগত ধাৰা আৰু চিন্তাধাৰাৰ পৰা বিচ্ছিন্ন হৈ এক নতুন পথে যাত্ৰা কৰিছিল। এই আন্দোলনে ব্যক্তিনিষ্ঠতা, অন্তৰ্মুখীতা, নতুনত্ব, আৰু পৰীক্ষা-নিৰীক্ষাৰ ওপৰত গুৰুত্ব দিছিল, যাৰ ফলত জীৱনৰ মৌলিক প্ৰশ্নসমূহক এক নতুন দৃষ্টিকোণৰ পৰা উপস্থাপন কৰা হৈছিল। আধুনিক'এই শব্দটো কালগতভাৱে পৰিৱৰ্তনশীল অৰ্থৰ দ্যোতক। অৰ্থাৎ কোনো এটা বিষয়ে প্ৰচলিত ধাৰা ত্যাগ কৰি নতুন এটা ধাৰা গ্ৰহণ কৰিলেই বিষয়টো আধুনিক বুলি চিহ্নিত হয়। অৱশ্যেই সমকালীনভাৱে পুৰণি ধাৰাও চলি থাকিব পাৰে। কালগতভাৱে সমকালীন হ'লেও নতুন পৰিৱৰ্তন নঘটিলে

কোনো বিষয়কে আধুনিক বুলি কোৱা নহয়। অর্থাৎ, কোনো বিষয়ত (সেই বিষয় সাহিত্য-শিল্পৰহে যে বিষয় হ'ব লাগিব এনে নহয়, বৰং ঘৰ-দুৱাৰ, পোছাক-পৰিচ্ছদ, আচবাব, পিন্ধা-উৰা, খোৱা-বোৱা, আচাৰ-ব্যৱহাৰ, কথা-বতৰা সকলো বিষয়ত) প্ৰচলিত ৰীতি বা ধাৰা বা সমল বা দৃষ্টিভংগীত আগতে নথকা কোনো ৰূপ, ৰীতি, দৃষ্টিভংগীৰ প্ৰয়োগেই বিষয়টোক 'আধুনিক' কৰি তুলিব পাৰে। নতুন বিষয়ৰ সংযোজনেই 'আধুনিক'।

কিন্তু শিল্প অথবা সাহিত্যৰ এই 'আধুনিকতা'ই শিল্প-সাহিত্যৰ 'আধুনিকতাবাদ' নহয়। 'আধুনিকতাবাদ' হ'ল বিংশ শতিকাৰ প্ৰথম দশকৰ পৰা ষষ্ঠ দশকলৈকে পশ্চিমৰ শিল্প আৰু সাহিত্যত ঘটা এটা বিশিষ্ট আন্দোলন/ই কেৱল বাহিৰৰ ৰূপৰ পৰিৱৰ্তনৰ মাজত সীমাবদ্ধ নহয়। ইয়াৰ লগত মানুহৰ জীৱন-দৃষ্টিভংগী তথা জীৱনবোধ জড়িত। এনে বিশিষ্ট জীৱনবোধ গঢ় লৈ উঠাৰ লগত সমকালীন সামাজিক আৰু বৌদ্ধিক পটভূমি জড়িত হৈ আছিল। এই পটভূমিৰ অনুসন্ধানৰ অবিহনে 'আধুনিকতাবাদ'ৰ পৰিচয় লোৱা সম্ভৱ নহয়।

ইংৰাজী সাহিত্যৰ বুৰঞ্জীত এলিজাবেথীয় যুগ (১৫৫০-১৬২৫)ৰ পৰা সাধিত হোৱা ব্যাপ্তিয়ে অষ্টাদশ শতিকাৰ শেষত আৰম্ভ হোৱা ৰোমাণ্টিক যুগ (১৭৯৮-১৮৩২)ত লাভ কৰিলে এটা নতুন মাত্ৰা। ক্লাছিকেল যুগৰ অন্ত পৰিল আৰু এতিয়া মানুহ হৈ পৰিল measure of all things. ৰোমাণ্টিক যুগৰ মানুহৰ মাজত সমষ্টি-মনৰ ঠাইত প্ৰাধান্য লাভ কৰিলে ব্যক্তি-মনে।

ৰোমাণ্টিকতাবাদৰ এই চৰিত্ৰৰ কথা মনত ৰাখিয়েই বোধকৰোঁ ৰাছিয়ান ঔপন্যাসিক Engene Zamyatin-এ ১৯২০ চনত লিখা On Literature, Revolution and Entropy নামৰ বিখ্যাত ৰচনাখনত এই ইংগিত দিছিল যে আধুনিকতাবাদৰ বীজ ৰোমাণ্টিক আন্দোলনৰ গভীৰতে প্ৰোথিত হৈ আছিল। কিন্তু, সেয়ে হ'লেও সামগ্ৰিক জীৱন-দৃষ্টিৰ মাজত ব্যৱধান আছিল। কাৰণ, 'মোৰ গান ময়ে গাওঁ' বুলি কোৱা ৰোমাণ্টিক কবিসকল ইউৰোপত বাইবেলৰ আধাৰৰ পৰা বিচ্ছিন্ন নাছিল। বৰং আধ্যাত্মিক তথা ধৰ্মীয় চেতনাকো নিজৰ মনৰ ৰঙেৰে বোলাই প্ৰকাশ কৰিছিল।

মুঠতে আধুনিকতাবাদ (Modernism) হৈছে উনবিংশ শতাব্দীৰ অন্তিমভাগত আৰু বিংশ শতাব্দীৰ আৰম্ভণিতে উদ্ভৱ হোৱা এটা চিন্তাধাৰা আৰু সাহিত্য-সাংস্কৃতিক আন্দোলন। এই প্ৰৱণতাই সমাজ, সংস্কৃতি, কল্পনা আৰু শিল্পৰ ক্ষেত্ৰত আধুনিক জীৱনদৰ্শনৰ প্ৰতিফলন ঘটাইছে। আধুনিকতাবাদৰ মূল লক্ষ্য হৈছে প্ৰচলিত ধাৰা, মূল্যবোধ আৰু ঐতিহ্যক প্ৰশ্নবিদ্ধ কৰি নতুনত্ব আৰু মৌলিকতাক সন্মুখত অনা।

সাহিত্যত আধুনিকতাবাদৰ সংজ্ঞা অনুসৰি, লেখকসকলে ঐতিহ্যবাহী কাব্যশৈলী, গদ্যপ্ৰণালী আৰু আখ্যানৰ গঠন ভংগী সলনি কৰি বাস্তৱতাৰ গভীৰ অনুসন্ধান কৰিছে। সীমিত সমাজৰ প্ৰতিফলনৰ পৰিৱৰ্তে ব্যক্তিগত অভিজ্ঞতা, মানসিক জটিলতা, অনিশ্চয়তা আৰু অস্তিত্ব সংকটক প্ৰাধান্য দিয়া হৈছে। “আধুনিক” শব্দই কেৱল নতুনত্বৰ অৰ্থ বহন নকৰি বৈজ্ঞানিক উন্নতি, নগৰায়ন, যান্ত্ৰিকতা আৰু বিশ্বায়নৰ প্ৰভাৱকো বুজাই তোলে।

এই ধাৰাৰ বৈশিষ্ট্যৰ ভিতৰত প্ৰতীকবাদ, বিদ্ৰূপ, মানসিক বিশ্লেষণ আৰু গঠন ভংগীৰ শৈলী বিশেষ উল্লেখযোগ্য। ইয়াৰ দ্বাৰা সাহিত্য আৰু শিল্পৰ সীমা বিস্তৃত হৈ জীৱনৰ গুপ্ত স্তৰৰ ব্যাখ্যা দিয়া হয়। আধুনিকতাবাদ হৈছে এক মুক্তচিন্তাৰ ধাৰা যিয়ে সমাজ-সংস্কৃতিৰ ধ্ৰুৱ নিয়ম ভাঙি স্বাধীন ভাবনা আৰু সৃষ্টিশীলতাক আগবঢ়াই লৈ যায়।

আধুনিক অসমীয়া সাহিত্যৰ শিপা ১৯ শতিকাৰ পৰাই আছে যেতিয়া ইংৰাজে অসমত নিজৰ ঔপনিৱেশিক শাসন প্ৰতিষ্ঠা কৰিছিল। আধুনিক অসমীয়া সাহিত্যৰ প্ৰাৰম্ভিক কালত (১৯ শতিকাৰ শেষৰ ফালৰ পৰা ২০ শতিকাৰ আৰম্ভণিলৈকে) আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, ৰাজনীকান্ত বৰদলৈ, চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদি সাহিত্যিকৰ ৰচনাৰে চিহ্নিত কৰা হৈছিল।পাশ্চাত্য সাহিত্যৰ দ্বাৰা প্ৰভাৱিত এই সাহিত্যিকসকলে মূলতঃ কবিতা, কল্পকাহিনী, নাটকৰ ধাৰাত ৰচনা কৰাৰ লগতে অসমত আধুনিক সাহিত্য পৰম্পৰা গঢ়ি তোলাত যথেষ্ট সহায় কৰিছিল।

বিজ্ঞান, যুক্তিবাদ, প্ৰযুক্তি, সমাজ-বিজ্ঞান, জীৱ-বিজ্ঞান, মনোবিজ্ঞান আদিৰ বিকাশে ৰোমাণ্টিক যুগৰ ধ্যান-ধাৰণা, বিশ্বাস, সংস্কাৰ, মূল্যবোধ, দৃষ্টিভংগী সকলোবিলাকৰ সামৰণি ঘোষণা কৰিলে- ঊনবিংশ শতিকাৰ শেষৰ ফালে আৰু বিংশ শতিকাৰ আগছোৱাত। এই সময়ত দুটা সাহিত্য-আন্দোলন গঢ় লৈ উঠিল: প্ৰকৃতিবাদ (Naturalism) আৰু প্ৰতীকবাদ (Symbolism)। প্ৰকৃতিবাদীসকলে ভাবিছিল যে বিজ্ঞানীসকলে প্ৰকৃতি-জগতক যেনেভাৱে বিশ্লেষণ কৰিছে, সেই পদ্ধতিৰেই মানুহক বিশ্লেষণ কৰিব পাৰি আৰু সমাজতান্ত্ৰিকসকলে বিশ্লেষণ কৰাৰ দৰে মানুহৰ সমাজক বিশ্লেষণ কৰিব পাৰি। তেওঁবিলাকে মানুহক বংশগতি আৰু পৰিপাৰ্শ্বৰ সৃষ্টি বুলি গণ্য কৰিছিল আৰু সাহিত্যই এই তৰ্কাতীত আধাৰ গ্ৰহণ কৰিব লাগে বুলি ভাবিছিল। প্ৰকৃতিবাদৰ লগত ইয়াৰ পূৰ্বসুৰী বাস্তৱতাবাদৰ সম্পৰ্ক থাকিলেও ই বাস্তৱবাদৰ পৰা ফাটি গুচি আহিল। বৈজ্ঞানিক আৰু দাৰ্শনিক ধাৰাসমূহৰ বিকাশৰ ফলত গঢ় লৈ উঠা প্ৰকৃতিবাদে মানুহৰ সম্পৰ্কে থকা (১৮৫০ পৰ্যন্ত) পূৰ্বৰ উদাৰ আশাবাদ হেৰুৱাবলৈ আৰম্ভ কৰিলে। প্ৰকৃতিবাদীসকলে গভীৰভাৱেই নিৰাশাবাদী চৰিত্ৰৰে থিয় দিলে।

আনহাতে প্ৰকৃতিবাদীসকলে, সাহিত্য বা শিল্পৰ বাবে জগতৰ বস্তুনিষ্ঠ জ্ঞানৰ প্ৰয়োজন আৰু আকৰ্ষণ এটাও আছে বুলি ভবা নাছিল। কাৰণ, তেওঁবিলাকে বিশ্বাস কৰিছিল বহিৰ্জগতখন বাস্তৱিক সত্য নহয়েই; বৰং প্ৰত্যেক ব্যক্তিমনত প্ৰতিভাত সত্যৰ ই হ'ল কিছুমান প্ৰতীকৰ সমষ্টি। এতেকে প্ৰকৃত সাহিত্যৰ সম্পৰ্ক এই অন্তৰ্নিহিত ব্যক্তিমনটোহে। কল্পনা আৰু শিল্পৰ জগতখন এই ব্যক্তিনিষ্ঠ ব্যক্তিমনৰ আবেষ্টনীৰ মাজতহে থাকে। তাৰ মাজতহে অনন্ত সৌন্দৰ্যৰ উপলব্ধি সম্ভৱ হ'ব পাৰে।

প্ৰকৃতিবাদীসকলক যদি শেষ-ঊনবিংশ শতিকাৰ প্ৰতিনিধি বুলি ধৰিব পাৰি, প্ৰতীকবাদীসকলক আদি বিংশ শতিকাৰ প্ৰতিনিধি বুলি ধৰিব পাৰি। প্ৰকৃতিবাদীসকলৰ বহিৰ্জীৱনৰ লগত আৰু প্ৰতীকবাদীসকলৰ মানুহৰ অন্তৰ্জীৱনৰ লগত সম্পৰ্ক আছিল।

ক'ব পাৰি বাস্তৱবাদ (Realism) আৰু প্ৰকৃতিবাদ (Naturalism) ৰোমাণ্টিক আন্দোলনৰ পৰা আঁতৰি আহি আধুনিকতাৰ পৰিধিলৈ যাত্ৰা কৰোঁতে, এই যাত্ৰা আছিল বহিৰ্জীৱনৰ মাজেদি কৰা যাত্ৰা। প্ৰতীকবাদে

এই যাত্ৰাক অন্তৰ্জীৱনলৈ সুমাই নিলে; আৰু ইয়াৰ লগে লগে সমাজ জীৱনৰ পৰা ব্যক্তি মনৰো বিচ্ছিন্নতা ঘটিল।

এই সময়তে অস্ট্ৰিয়ান কাব্য-ইতিহাসত আৰম্ভ হোৱা 'কলা-কৈবল্যবাদী' আন্দোলন এটায়ো পাশ্চাত্য সাহিত্যত নিজৰ বাবে ঠাই উলিয়াই ল'লে। ইয়াক এক প্ৰকাৰ আধুনিক কালে সৃষ্টি কৰা জীৱনৰ অৰ্থশূন্যতাক মানুহে কলাৰ মাজত বিচৰাৰ এটা মনস্তাত্ত্বিক প্ৰয়াস বুলি ক'ব পাৰি।

ঊনবিংশ শতিকাৰ শেষাৰ্ধত চিত্ৰশিল্পত গঢ় লৈ উঠা প্ৰতীতিবাদ) (Impres- sionism)ৰ মাজতো ৰোমাণ্টিক যুগৰ কাল্পনিক আৰু বাস্তৱবাদী বৃত্তৰ বাস্তৱতাৰ প্ৰভাৱৰ পৰা আঁতৰি আহি শিল্পীৰ কোনো মুহূৰ্তৰ চাক্ষুষ অভিজ্ঞতাত ধৰা দিয়া কোনো বিষয়ৰ সেই মুহূৰ্তৰ ৰূপ ফুটাই তোলাৰ প্ৰয়াস আৰম্ভ হ'ল। ইয়াত কোনো 'বাণী' বা অৰ্থ আৰোপ কৰাৰ প্ৰশ্ন নাই। পোহৰ আৰু ৰঙৰ যিটো ৰূপ শিল্পীৰ চকুত ধৰা দি তেওঁৰ মনত এটা সাঁচ (Impression) বহুৱাইছে, সেই ৰং আৰু ৰূপকে তেওঁ ধৰি ৰাখিবলৈ যত্ন কৰে। তাত যদি কিবা 'বাণী' আছে, সেই 'বাণী' ছাঁ-পোহৰ আৰু ৰঙৰ মাজতে অনুভূত হ'ব পাৰে। প্ৰতীতিবাদীসকলে আনকি চিত্ৰশিল্পৰ সাধাৰণ নিয়মানুগ ৰীতিতকৈও শিল্পীৰ মনত চাক্ষুষ অভিজ্ঞতাই বহুওৱা সাঁচটোৰ ওপৰতহে গুৰুত্ব দিছিল। উত্তৰ-প্ৰতীতিবাদী (Post-Impression)সকলে ছাঁ-পোহৰ আৰু ৰঙৰ ব্যৱহাৰক অধিক পৰিশীলিত, সূক্ষ্ম আৰু সামঞ্জস্যপূৰ্ণ কৰি তোলাত, আৰু চাক্ষুষ অভিজ্ঞতাৰ লগত মন আৰু হৃদয়ানুভূতিৰ সম্পৰ্ক স্থাপন কৰাৰ ওপৰত গুৰুত্ব দিলে। ৰং কেৱল চাক্ষুষ অভিজ্ঞতা হৈয়েই নাথাকিল, শিল্পীৰ আকাংক্ষা, বাসনা, অনুভূতিৰ ৰীতিসম্মত দ্যোতক হৈয়ো উঠিল।

ৰীতিসম্মত দ্যোতনা এক প্ৰকাৰ আনুষ্ঠানিকতাৰ মাজত আৱদ্ধ। এতেকে, ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ একেবাৰে আৰম্ভণিতে ইউৰোপত গঢ় লৈ উঠিল এটা নতুন শিল্প-আন্দোলন (art movement): অভিব্যক্তিবাদ (expression- ism)। অভিব্যক্তিবাদ হ'ল ব্যক্তি মনত অভিজ্ঞতাই সৃষ্টি কৰা এক আবেগানুভূতিৰ প্ৰকাশ। এনে অভিব্যক্তিক 'বন্যপ্ৰাণী সুলভ অভিব্যক্তি' বুলি নস্যাৎ কৰাৰ যত্নও চলিছিল।

প্ৰথম মহাযুদ্ধৰ আগে আগে জন্ম আৰু বিকাশ লাভ কৰা 'কিউবিজিম' হ'ল যথাৰ্থতে বিশুদ্ধ বিমূৰ্ত কলা। প্ৰথম অৱস্থাত এই শিল্প আছিল অধিক তত্ত্বমূলক, বিমূৰ্ত, আৱেগহীন, শীতল। প্ৰতীতিবাদীসকলৰ বিপৰীতে কিউবিষ্টসকলে গুৰুত্ব দিলে আকৃতি, জ্যামিতিক কোণ, ৰেখাৰ ওপৰত আৰু এক বস্তুনিষ্ঠ চৰিত্ৰত। পটভূমিৰ গুৰুত্বও হৈ উঠিল সমানেই গুৰুত্বপূৰ্ণ। প্ৰতীতিবাদত চাক্ষুষ অভিজ্ঞতাই সৃষ্টি কৰা ব্যক্তিনিষ্ঠ সাঁচ, অভিব্যক্তিবাদত আৱেগানুভূতিৰ সাঁচ আৰু কিউবিজিমত দেখা গ'ল মনে বিচৰা জ্যামিতিক আকাৰৰ সাঁচ। সেইবাবে কোৱা হয় প্ৰতীতিবাদ যদি চকুৰ কলা, অভিব্যক্তিবাদ হ'ল হৃদয়ৰ কলা আৰু কিউবিজিম্ হ'ল মনৰ কলা।

প্ৰথম মহাসমৰৰ ঠিক আগৰ পৰা আৰু প্ৰথম মহাসমৰ চলি থকাৰ সময়ত প্ৰতীতিবাদ, অভিব্যক্তিবাদ আৰু কিউবিজিমে মুকলি কৰি দিয়া, ব্যাকৰণৰ অনুশাসনহীন পথে বিভিন্ন শাখাপথ আৰু উপপথৰ সৃষ্টি কৰিলে। আত্ম-সচেতন বিদ্ৰোহ, নিয়মভংগৰ প্ৰৱণতা, ঐতিহ্য বিৰোধী মনোভাব, এবছাৰ্ডিটি-প্ৰৱণ অগ্ৰগামী (আভাঁ গাৰ্ডে) দলৰ আত্মপ্ৰকাশ (যাৰ লক্ষণ ইটালীয় ভৱিষ্যবাদ আৰু প্ৰথমতে

ছুইজাৰলেণ্ড-কেন্দ্ৰিক দাদাবাদৰ মাজত প্ৰকট হৈ উঠিছিল) আদিৰ মাজেদি আধুনিক কালৰ শৈল্পিক আৰু সাহিত্যিক আৰম্ভণি সূচিত হ'ল।

১৯১৭ চনত প্ৰথম মহাযুদ্ধৰ সামৰণি পৰিল। এই যুদ্ধই ঘাইকৈ পশ্চিমৰ মানুহৰ বাবে জীৱনৰ অৰ্থ, উদ্দেশ্য, মূল্যবোধ ভাঙি পেলালে। বিজ্ঞান তথা যন্ত্ৰ সভ্যতাৰ বিকাশ, জীৱ-বিজ্ঞানৰ বিকাশ, মনোবিজ্ঞানৰ বিকাশ আৰু সমাজ-বিজ্ঞানৰ নৱ্য বিকাশে ইতিপূৰ্বে মানুহৰ মনোজগতত যি ভাঙনৰ আৰম্ভণি কৰিছিল, প্ৰথম মহাযুদ্ধই বাস্তৱিক জীৱনত সেই ভাঙন সম্পূৰ্ণ কৰি তুলিলে। মানুহ হৈ উঠিল দিশহাৰা, লক্ষ্যহীন, নিৰালম্ব, নিশ্চয়তাহীন, অসহায়, বিচ্ছিন্ন আৰু অকলশৰীয়া। হিটলাৰ আৰু ষ্টেলিনে কেনেকৈ লক্ষ লক্ষ মানুহ হত্যা কৰিছিল বুলি উঠা প্ৰশ্নই বোধকৰোঁ প্ৰথম মহাযুদ্ধই ঘটোৱা হত্যালীলাৰ মাজতে ইয়াৰ উত্তৰ বিচাৰি পাব পাৰে।

বিংশ শতিকাৰ দ্বিতীয় দশকে পশ্চিমত দেখিলে, কেনেকৈ সামাজিক, ৰাজনৈতিক, ব্যৱহাৰিক, যৌন-জীৱন সকলোতে ঊনবিংশ শতিকাৰ সকলো মূল্যবোধ আক্ৰান্ত আৰু পৰিত্যাজ্য হ'ল, আৰু কেনেকৈ এক নৈৰাশ্যবাদ আৰু অৰাজকতাই মানুহৰ মন আচ্ছন্ন কৰি তুলিলে। আইৰিছ কবি উইলিয়াম বাটলাৰ ইয়েটছ্-এ তেওঁৰ 'ছেকেণ্ড কামিং' নামৰ কবিতাটিত এই সময়ৰ এটি ছবি ধৰি ৰাখিছে। এনেকৈঃ

"Things fall apart; the centre cannot hold;

Mere anarchy is loosed upon the World,

The blood-dimmed tide is loosed, and every where

The ceremony of innocence is drowned;

The best lack all conviction, while the worst

Are full of passionate intensity."

ভিক্টোৰীয় যুগ পৰ্যন্ত যিবোৰ আধ্যাত্মিক, নৈতিক সামাজিক, শৈল্পিক, মানৱীয় মূল্যবোধে ব্যক্তি-জীৱন আৰু সমষ্টি-জীৱন নিয়ন্ত্ৰণ কৰি আহিছিল, উল্লিখিত বিজ্ঞান তথা বৈজ্ঞানিক নতুন বিচাৰ-বিশ্লেষণে সিবিলাকৰ বৌদ্ধিক ভেটি ভাঙিবলৈ আৰম্ভ কৰিলে; প্ৰথম মহাযুদ্ধই সিবিলাকৰ বাস্তৱ-সামাজিক ভেঁটিও ভাঙি দিলে। মানুহ ঐতিহ্য তথা পৰম্পৰাৰ পৰা বিচ্ছিন্ন হৈ পৰিল; মানুহৰ বৌদ্ধিক আৰু সামাজিক জীৱনত এটা জলচ্ছেদৰ সৃষ্টি হ'ল। এই জলচ্ছেদটোৰ সিপাৰে থকাসকল মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ সুদীৰ্ঘ ইতিহাসৰ ক্ৰম বিকশিত 'ইতিবাচক' দিশটোৰ প্ৰতিনিধি হৈ থাকিল; এই জলচ্ছেদৰ এই পাৰে থকাসকল মানুহৰ ইতিহাসৰ 'নেতিবাচক' দিশটোৰ প্ৰতিনিধি হৈ থিয় দিলে।

নতুন সময়ৰ অগ্ৰগতি লক্ষ্য কৰি ষ্টিফেন স্পেণ্ডাৰে কৈছিল: "আমি যি অৱস্থাত জীয়াই আছোঁ, সি চিৰদিনৰ বাবেই সলনি হৈছে- আকস্মিক আমূল পৰিৱৰ্তন ঘটিছে।" আৰম্ভ হ'ল এক বন্ধনহীন,

আত্মকেন্দ্ৰিক, কেৱল নিজৰ ইচ্ছা, আৱেগ, প্ৰয়োজনৰ প্ৰতি দায়বদ্ধ, নিৰালম্ব এক মানসিকতাৰ যুগ, এক ঐতিহ্য-বিচ্ছিন্ন যুগ; 'সন্দেহ' হ'ল স্বাস্থ্যৰ লক্ষণ।

এনে এক সামাজিক, বৌদ্ধিক, মানসিক পটভূমিত গঢ় লৈ উঠিল বিংশ শতিকাৰ 'আধুনিকতাবাদ'। শিল্পৰ পৰা সাহিত্যলৈ তাৰ দ্ৰুত সংক্ৰমণ ঘটিল। সাহিত্যৰ ভাব, বিষয়, ৰূপ আৰু সামগ্ৰিক আৱেদনত ঘটিল আমূল পৰিৱৰ্তন। "আধুনিকতাবাদ' হ'ল এক বিশিষ্ট ৰাজনৈতিক-অৰ্থনৈতিক-সামাজিক আৰু বৌদ্ধিক পৰিমণ্ডলত গঢ় লৈ উঠা এটা জীৱনবোধৰ দ্বাৰা নিয়ন্ত্ৰিত শিল্প-সাহিত্যত ঘটা আন্দোলন। একান্তভাৱে ব্যক্তিনিষ্ঠ এই আন্দোলন বস্তুজগতৰ পৰিৱৰ্তে মনোজগতৰ লগত জড়িত; ঐতিহ্যৰ পৰিৱৰ্তে ঐতিহ্য ভাঙি নতুন বাট উলিওৱা প্ৰৱণতাৰ লগত জড়িত। এই আন্দোলনে অৱশ্যেই জীৱন-সম্পৰ্কীয় কিছু মৌলিক প্ৰশ্ন আৰু সন্দেহ উত্থাপন কৰিলে। এই প্ৰশ্ন আৰু সন্দেহসমূহ এতিয়াও আছে আৰু হয়তো আগলৈও থাকিব।

'আধুনিকতাবাদ' শব্দটোৰ অৰ্থ আৰু তাৎপৰ্য সাহিত্য জগতত বৰ বিশাল। কুৰি শতিকাৰ আৰম্ভণিৰ কেইটামান দশক আৰু বিশেষকৈ প্ৰথম মহাসমৰৰ পিছৰ যুগৰ সাহিত্যৰ আৰু তাৰ লগতে আন কলাৰো বিষয়, নিৰ্মাণ কৌশল, ধাৰণা, আঙ্গিক আদি নিৰ্দিষ্ট বৈশিষ্ট্যক চিহ্নিত কৰিবলৈ এই শব্দটো অথবা পৰিভাষাটো ব্যৱহাৰ কৰা হয়। বিভিন্ন লোকে পৰিভাষাটো ব্যৱহাৰ কৰোঁতে ইয়াৰ নিৰ্দিষ্ট তাৎপৰ্যৰ কিছু ইফাল-সিফাল হ'লেও সমালোচকসকল এই ক্ষেত্ৰত এক মত যে ই পশ্চিমীয়া কলা আৰু সংস্কৃতিৰ পৰম্পৰাগত ভেটিটোৰ পৰা সচেতনভাৱে আৰু বৈপ্লৱিক ধৰণেৰে আঁতৰি অহাৰ কথাকে বুজায়। আধুনিকতাবাদৰ বাটকটীয়া বুদ্ধিজীৱীসকলে এই ক্ষেত্ৰত পৰম্পৰাগতভাৱে সমাজৰ অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ ধৰণী ধৰি থকা ধৰ্মীয় বিশ্বাস, নৈতিক প্ৰমূল্য আৰু মানুহৰ সত্তা সম্পৰ্কীয় ধাৰণা আদিকে প্ৰশ্ন কৰিলে। এই বুদ্ধিজীৱীসকলৰ ভিতৰত ঘাইকৈ ফ্ৰেডেৰিক নীৎছে, কাৰ্ল মাৰ্ক্স, ছিগমাণ্ড ফ্ৰয়ড আৰু জেমছ জি ফ্ৰেজাৰৰ নাম ল'ব লাগিব।

প্ৰথম মহাসমৰৰ পিছৰ পৰাই সাহিত্য জগতলৈ অভূতপূৰ্ব দ্ৰুততাৰে পৰিৱৰ্তন আহিছিল। ১৯২২ চনটোক আধুনিকতাবাদৰ শীৰ্ষবিন্দুৰ বছৰ বুলি ক'ব পাৰি। সেই বছৰতে আধুনিকতাবাদৰ কীৰ্তিস্তম্ভ স্বৰূপ জে'মছ জইচৰ য়ুলিছিছ, এ'লিয়টৰ দ্য ৱেষ্ট লেণ্ড, ভাৰ্জিনিয়া উল্ফৰ জেকবছ কম আৰু ভালেমান পৰীক্ষামূলক আধুনিকতাবাদী কিতাপ প্ৰকাশিত হয়।

পৰম্পৰাগত কবিতাৰ গাঁথনিৰ ঠাইত তেওঁ খণ্ডসমূহৰ মাজত পৰিকল্পিত বিচ্ছিন্নতাক ঠাই দিলে। ভিন্ন ধৰণৰ বস্তু কবিতাত আচলতে কি দৰে একত্ৰিত হৈছে তাক পাঠকেহে আৱিষ্কাৰ কৰিব লাগিব। উপন্যাসৰ ক্ষেত্ৰত জে'মছ জইচৰ য়ুলিছিছ আৰু তাতকৈ বৈপ্লৱিক ফিনিগান ৱেইকৰ অনুকৰণত লিখা উপন্যাসে আগৰ উপন্যাসৰ পৰম্পৰাকে ধ্বংস কৰিলে। পৰম্পৰাগত উপন্যাসৰ কথনৰ ধাৰাবাহিকতা, চৰিত্ৰ অংকন-ৰীতি, কথন- ভাষাৰ সংহতি আৰু বাক্য গাঁথনি আদিক চেতনাস্ৰোত আৰু আন কথন-ৰীতিয়ে আঁতৰ কৰিলে। কবিতা আৰু উপন্যাসৰ এই শিল্পৰূপ আৰু আঙ্গিকক অনেক নতুন কবি আৰু

ঔপন্যাসিকে অনুকৰণ কৰিলে। আধুনিকতাবাদৰ আন্দোলন কেৱল সাহিত্য জগততে সীমাৰদ্ধ নাথাকি চিত্ৰকলা আৰু সঙ্গীতৰ জগতলৈও সম্প্ৰসাৰিত হ'ল।

আধুনিকতাবাদী আন্দোলন হৈছে বিংশ শতিকাৰ প্ৰথম ভাগত উদ্ভৱ হোৱা এক বৈশ্বিক সাহিত্য-সাংস্কৃতিক ধাৰা। ই মূলতঃ উনবিংশ শতিকাৰ শেষ ভাগৰ বাস্তৱবাদ, প্ৰাকৃতিকতাবাদ, ৰোমান্টিক ধাৰাৰ প্ৰতি এক প্ৰতিক্ৰিয়া ৰূপে জন্ম লৈছিল। সমাজ, ৰাজনীতি, বিজ্ঞান আৰু অৰ্থনীতিত সংঘটিত দ্ৰুত পৰিৱৰ্তনে এই আন্দোলনৰ বীজ ৰোপণ কৰিছিল। ঐতিহাসিকভাৱে, প্ৰথম বিশ্বযুদ্ধ (১৯১৪-১৯১৮) আৰু দ্বিতীয় বিশ্বযুদ্ধৰ ভয়ংকৰ অভিজ্ঞতাই ইউৰোপীয় মানসিকতাক গভীৰভাবে প্ৰভাৱিত কৰিছিল। যুদ্ধৰ ধ্বংসযজ্ঞে মানৱ সমাজৰ পৰম্পৰাগত মূল্যবোধ, ধৰ্মীয় বিশ্বাস, আৰু সাৰ্বজনীন সত্যৰ ধাৰণালৈ সন্দেহ জন্মায়। শিল্প বিপ্লৱ আৰু নগৰায়নৰ ফলত মানুহৰ জীৱনযাপনতো মৌলিক পৰিৱৰ্তন আহে। ইয়াৰ উপৰিও মানসিকতা-বিজ্ঞান (Freud), পদাৰ্থবিজ্ঞান (Einstein), আৰু দৰ্শনৰ নতুন ধাৰাবোৰে সৃষ্টিশীলতাক নতুন দিশ প্ৰদান কৰে। ফলত আধুনিকতাবাদে ব্যক্তিমানসৰ ভাঙনি, সমাজৰ বিশৃঙ্খলা, আধ্যাত্মিক শূণ্যতা, আৰু নতুন ৰূপ সন্ধানৰ প্ৰৱণতা প্ৰকাশ কৰে।

আধুনিক কবিতাত মহানগৰ চেতনা দলৈকে প্ৰোথিত। আমাৰ আধুনিক কবিতাত (অসমীয়া) মহানগৰ চেতনা আহিছিল কলিকতা (সম্প্ৰতি কলকাতা)ৰ প্ৰসংগেৰে। নৱকান্ত বৰুৱাৰ কবিতাত উপলব্ধ মহানগৰ চেতনা আছিল কলিকতা মহানগৰৰ পৰা অহা, তেখেতৰ কবিতা ভৰি পৰিছিল মহানগৰীয় ক্লান্তি আৰু নিসংগতাৰে মহানগৰ আধুনিক কবিতাৰ এক বহুমাত্ৰিক ৰূপক- য'ত প্ৰাপ্তি অথবা সত্যৰ উপলব্ধিৰ স্বৰূপো ভিন্ন। এক প্ৰহসন হয়তো ইয়াতো লুকাই আছে যে কবিয়ে নিজে বাস কৰা মহানগৰখনৰেই এক অন্য চিত্ৰ তেখেতসকলে আঁকি উলিয়াবলগীয়া হয়। চিত্ৰিত কৰিবলগীয়া হয় 'জীৱিকাৰ গলিৰ সাঁথৰ' যুক্ত মহানগৰৰ ছবি। প্ৰথম বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ছোৱাতেই নৈৰাশ্য আৰু নৈৰাজ্যৰ আতংকই মানুহৰ মনোজগতত এক ব্যাপক গৰাখহনীয়াৰ সৃষ্টি কৰিছিল। ১৯৫১ চনত (প্ৰথম বিশ্বযুদ্ধৰ সমাপ্তিৰ ছয় বছৰ পাছত) নৱকান্ত বৰুৱাই 'বৈপৰীত্য'ৰ সূচনাৰে 'হে অৰণ্য হে মহানগৰ' কবিতা সংকলনখন প্ৰকাশ কৰিছিল। 'অৰণ্য'ক মানুহৰ আত্মিক যাত্ৰাৰ দ্যোতক হিচাপে লৈ কবিয়ে মহানগৰৰ 'হাত'ত অৰণ্যৰ মৃত্যুপৰ্বকে ইংগিত কৰিছিল। সেই অৰণ্যৰ ব্যঞ্জনা আছিল সমাহিত জীৱনৰ মৃত্যুৰ প্ৰসংগেৰে ভৰা। আমাৰ ইয়াত (গুৱাহাটী) নগৰকেন্দ্ৰিক সভ্যতাৰ ৰেঙনি প্ৰায় সত্তৰৰ দশকৰ পিচৰ পৰাহে দেখা গৈছিল। অসমৰ ৰাজধানী স্থানান্তৰৰ প্ৰসংগটোও ইয়াৰ সতে সাঙুৰিব পৰা যায়। শ্বিলঙৰ পৰা ৰাজধানী স্থানান্তৰিত হোৱাৰ লগে লগে গুৱাহাটীত নগৰীকৰণৰ প্ৰক্ৰিয়া ঠন ধৰি উঠে আৰু প্ৰত্যাশিতভাৱেই পাছত ই মহানগৰৰ ৰূপ পায়গৈ। গুৱাহাটীৰ পুৰণি ঐতিহ্যৰ ঠাইত কৃত্ৰিম নাগৰিক 'সমাজ'ৰ অভিধাৰণা এটাও তেতিয়াই আহে। সেয়েহে মহানগৰ চেতনাৰ আঁৰত স্থানিক বিন্দু হিচাপে কলকাতা আৰু শ্বিলঙৰ কথাই মনলৈ আহে।

নীলিম কুমাৰৰ 'গুৱাহাটী' কবিতাটোত গুৱাহাটীক মূৰ্তৰ পৰা বিমূৰ্তলৈ নি ঠাইখনক 'প্ৰাণ' প্ৰদান কৰা হৈছে। কবিৰ আত্মাৰ কন্দৰত উচ্চাৰিত হৈছে গুৱাহাটীৰ নাম; সেয়ে কবি হৈ পৰিছে গুৱাহাটীৰ প্ৰাচীন প্ৰেমিক।

নীলিম কুমাৰৰ 'গুৱাহাটী' কবিতাটোত মহানগৰখনৰ প্ৰত্যাশিত সৌন্দৰ্য তীৰ্যক দৃষ্টিৰে প্ৰকাশ পাইছে। জড়তাক উপস্থাপন কৰা হৈছে কাব্যিক অভিব্যঞ্জনাৰে; যিয়ে পঢ়ুৱৈৰ চেতনাক 'চাবুক' মাৰি যায়। গুৱাহাটীক কবিয়ে সুধিছে অন্তহীন সাধুকথাৰ দৰে এক প্ৰশ্ন-

'তুমি তাৰ খবৰ জানানে

চৰাই এটাৰ স'তে সি এতিয়া পাহাৰ এটাত থাকে'

গুৱাহাটীৰ প্ৰেমত মগ্ন চৈতন্যৰে কবিতাটোৰে বিষয়ী হৈ পৰিছে বিষাদৰ কথক; অথচ যন্ত্ৰণাৰ এৰা সূতাৰ সাকোঁৰে সেই বিষয়ী উভতি আহিব খোজে গুৱাহাটীলৈ। কথোপকথনৰ মাত্ৰাই / প্ৰেমৰ অভিধাৰণাই আমাক ৰোমাণ্টিক ঐতিহ্যলৈ মনত পেলায়। কোনো এক ঠাইৰ প্ৰতি আকুলতা বা ব্যাকুলতাক লৈ অসংখ্য ৰোমাণ্টিক কবিতা আছে wordsworth ৰ টিণ্টাৰ্ণ এবী আমাৰ কবি শৈলধৰ ৰাজখোৱাৰ ‘বৰপেটা' আদি কবিতা ইয়াৰ উদাহৰণ।

নীলিম কুমাৰ আধুনিক কবি। অসমৰ কেইবাগৰাকীয়ো আধুনিক কবিয়ে 'গুৱাহাটী 'ক বিষয় হিচাপে লৈ কবিতা লিখিছে। আকৌ গুৱাহাটীৰ বিশেষ ঠাই কিছুমানক লৈয়ো (শৰণীয়া, পাণবজাৰ ইত্যাদি) কিছুমান কবিয়ে তেখেতসকলৰ কবিতাত গুৱাহাটীক উপস্থাপন কৰিছে। নীলিম কুমাৰে গুৱাহাটীক সুধিছে-

'মনত পেলোৱাচোন

সি তোমাৰ কি ভালপোৱা নাছিল'

'মন', 'সি' আৰু 'কি' এই তিনিটা শব্দৰে কথকে গুৱাহাটীৰ যে সকলো বস্তুৰেই ভাল পাইছিল; তাৰ এক ছবি আমাৰ অন্তৰত দোলা দি যায়। অবিস্মৰণীয় ভাষাৰে গুৱাহাটীৰ প্ৰতি কথকৰ প্ৰেম ফুটি উঠে এনেদৰে-

তোমাৰ বুকুৰ ব্ৰহ্মপুত্ৰত সি দেখোন সদায় গা ধুইছিল

আকা সি দেখোন সদায় ফেৰিঘাটত বৈ আছিল

মাছমৰীয়াৰ জালৰ তলেৰে কঁপি কঁপি নামি অহা ৰঙা বেলিৰ মৃতদেহ চাবলৈ'

'বুকুৰ ব্ৰহ্মপুত্ৰ', 'কঁপি কঁপি নামি অহা ৰঙাবেলিৰ মৃতদেহ'ৰ সঞ্চৰণশীল ভাষাই পঢ়ুৱৈক অভিভূত কৰে। মাছমৰীয়াৰ জালৰ তলত লুকাই থকা সূৰ্যাস্তৰ ৰঙৰ সৈতে তুলনা কৰি ৰঙাবেলিৰ মৃতদেহ কথাষাৰৰ সূচনা বৰ ইংগিতময়। ৰঙাবেলি যেন গুৱাহাটীৰে দ্যোতক আৰু ই হৈ মৰিছে কলুষতাৰ জালত বন্দী। মহানগৰী গুৱাহাটীৰ সৌন্দৰ্য আৰু কালিমা; ৰূঢ় দৈনন্দিনতা সকলোৰে আকণ্ঠ প্ৰেমিক হৈ পৰিছে কবিতাটোৰ কথক—

'তোমাৰ বুকুৰ অলি গলিত বিচৰণ কৰা এইবোৰ গাড়ী মটৰ

ৰঙা পৰুৱা যেন এইবোৰ অট'ৰিক্সাৰ লানি, হৰ্ণৰ চিঞৰ

কুকুৰৰ ভেউ ভেউ, অট্টালিকাৰ হাঁহি, উশাহ নোপোৱা জুপুৰিৰ

চটফটনি, তোমাৰ জুই আৰু ছাই

তোমাৰ দাঁত আৰু দংশন

তোমাৰ কি ভালপোৱা নাছিল সি

অট'ৰিক্সাৰ সতে ৰঙাপৰুৱাৰ উপমা, হৰ্ণৰ চিঞৰ, কুকুৰৰ ভেউ ভেউ, অট্টালিকাৰ হাঁহি, উশাহ নোপোৱা জুপুৰিৰ চটফটনি আদিয়ে গোটেই কবিতাটোত মহানাগৰিক চেতনাৰ বাহক কৰি তুলিছে। আপাতঃ বৈপৰীত্যৰ সূচনাৰে শ্ৰেণীবিভাজিত সমাজৰো ইংগিত গুৱাহাটীৰ প্ৰেক্ষাপটত কবিয়ে তুলি ধৰিছে একাধিক ব্যঞ্জনাৰে-

অট্টালিকা - জুপুৰি

জুই- ছাই

অট্টালিকা আৰু জুপুৰিৰ প্ৰসংগই সচেতন পঢ়ুৱৈক ভূপেন হাজৰিকাৰ গীতলৈ মনত পেলাই দিয়ে-

'মই দেখিছোঁ অনেক গগন চুম্বী অট্টালিকাৰ শাৰী

তাৰ ছাঁতেই দেখিছোঁ কতনা গৃহহীন নৰ-নাৰী

গুৱাহাটী মহানগৰীক 'মানৱীকৰণ' কৰি কবিয়ে প্ৰেয়সীক কৰাৰ দৰেই গুৱাহাটীৰ ৰূপৰ বন্দনা কৰিছে; যিয়ে আমাক আগতে উনুকিওৱাৰ দৰে ৰোমাণ্টিক ঐতিহ্যলৈ মনত পেলায়। ঠাই (স্থান) আৰু প্ৰকৃতিৰ মানৱীকৰণ ৰোমাণ্টিক কবিতাৰ মূল আধাৰ বুলিও ক'ব পাৰি। ৰঘুনাথ চৌধাৰীয়ে 'গোলাপ' কবিতাতো আৰম্ভ কৰিছে এনেকৈ-

'কাৰ পৰশত ফুলিলি বান্ধৈ

অ মোৰ দৰদী ফুলাম পাহি

শ্যামলী পাতৰ ওৰণি গুচাই

কাৰ ফালে চাই মাৰিলি হাঁহি'

'গুৱাহাটী' কবিতাটো মাত্ৰা, গাঁথনি আৰু মেজাজেৰে আধুনিক অথচ একে সময়তে ই ৰোমাণ্টিক ঐতিহ্যৰো স্মাৰক। কবিয়ে গুৱাহাটীক কৈছে-

'তোমাৰ ৰুমালৰ গোন্ধে, তোমাৰ দুহাতৰ ৰেখাবোৰ

তোমাৰ নখ আৰু নখৰ ধাৰ

ৰৌদ্ৰস্নাতা তোমাৰ শৰীৰৰ ঘাম আৰু শীতৰ কুঁৱলী

তোমাৰ নাকফুল, নাকৰ পাহি, তোমাৰ উশাহ আৰু

নিশ্বাসৰ বাষ্প, তোমাৰ ওঁঠ, ওঁঠৰ বিষ

তোমাৰ দাঁত আৰু দংশন

তোমাৰ কি ভালপোৱা নাছিল সি'

গুৱাহাটীৰ ৰুমালৰ গোন্ধ আৰু দুহাতৰ ৰেখাই কথকৰ ব্যতিক্ৰমী কল্পনাৰ বহুত্বক প্ৰতিফলিত কৰে। 'নখ' আৰু 'নখৰ ধাৰে' মহানাগৰিকৰ চৰিত্ৰৰ অসহায়তা/ভণ্ডামি/হিংসাৰ সূচনা কৰে। 'ঘাম' আৰু 'কুঁৱলী'য়ে গুৱাহাটীৰ ঋতুৰ ব্যঞ্জনাৰ বাহক; যদিও ঋতু পৰিৱৰ্তনৰ অনুভূতি মহানাগৰিকৰ বাবে হয়তো কেলেণ্ডাৰতহে আবদ্ধ। 'নাকফুল', 'নাকৰ পাহি'ৰে কথকে গুৱাহাটীক প্ৰেমিকৰ দৃষ্টিৰে চাইছে। এই দৃষ্টিয়ে সামৰি লৈছে গুৱাহাটীৰ সমাহিত সৌন্দৰ্য। প্ৰকৃতিৰ ৰম্যভূমি গুৱাহাটীক মহানগৰীয় 'সভ্যতা'ই চেপি আনিছে; ভোগৰ আনন্দত কোনোবা মতলীয়া, আকৌ ভোগৰ তাড়নাত কোনোবা দিশহাৰা। গুৱাহাটীৰ উশাহে-নিশাহে কথকৰ অনন্ত পৰিভ্ৰমণ। কথকে ভাল পায় গুৱাহাটীৰ ওঁঠ, একে সময়তে 'ওঁঠৰ বিষ'। 'ওঁঠৰ বিষ' কথাষাৰে আমাক আকৌ পৌৰাণিক প্ৰসংগ সমুদ্ৰ মন্থনলৈ মনত পেলায়; য'ত বিষপান কৰি শিৱ নীলকণ্ঠ হৈছিল। 'গুৱাহাটী' কবিতাটোত কথকে গুৱাহাটীৰ ওঁঠৰ বিষেৰে মহানাগৰিক সভ্যতাৰ কৌটিল্যক পৰিহাস কৰিছে। একেদৰে দাঁত আৰু দংশন কথাষাৰো তলসুঁতীয়া অৰ্থৰ বাহক। কথকে গুৱাহাটীৰ দাঁতবোৰ ভাল পায় যিহেতু দংশনকো আঁকোৱালি লয়। দংশন শব্দটো বহু অৰ্থবিশিষ্ট। কবিতাটোৰ স্বৰতেই লুকাই আছে অভিধানিক অৰ্থ বাৰে বাৰে পাৰ হৈ যোৱাৰ বহুমাত্ৰিক বিশিষ্টতা। মহানগৰৰ জীৱনৰ কাৰুণ্য আৰু নিসংগতাক সাপৰ দংশনৰ সৈতে তুলনা কৰা হৈছে। মায়া/বিভ্ৰমৰ কথাও তেতিয়া মনলৈ আহে। বিশ্বায়নিত সমাজত মহানগৰীয় জীৱনৰ প্ৰতি মায়া আৰু একাকিতত্বৰ অদেখা যন্ত্ৰণাকো কবিয়ে উন্মোচিত কৰিছে যোগাত্মক কথনৰীতিৰে। ছিন্নমূল সত্তাৰ প্ৰসংগও উত্থাপিত হয় বস্তুবাদী মহানগৰ সংস্কৃতিৰ আলমত। তথাপি কবিতাটোৰ কথকে গুৱাহাটীৰ ফুটপাথৰ তলিৰ আন্ধাৰকো ভাল পায়। ফুটপাথৰ প্ৰসংগত আমাৰ কবি ভবানন্দ দত্তৰ 'ৰাজপথ' কবিতাটোলৈ মনত পৰে। কবিয়ে (নীলিম কুমাৰে) গুৱাহাটীকেন্দ্ৰিক মুগ্ধতাক আত্মব্যংগৰেও ফুটাই তুলিছে এনেদৰে-

নৰ্দমা আৰু গলিত মৃতদেহত পিল পিলকৈ থকা পোকবোৰ দেখি

সিতো নাক কোচোৱা নাছিল মুগ্ধহে হৈছিল!'

গুদাম ঘৰৰ নিগনি আৰু শুভ্ৰ এন্দুৰ কথাষাৰে মহানগৰীৰ মধ্যবিত্তৰ প্ৰতি ভ্ৰূকুটিসূচক। অশুভ প্ৰতিযোগিতাৰ দ্যোতনাৰে নিগনি আৰু এন্দুৰৰ প্ৰতীক সন্তুলিত ভাষা নিৰ্বাচনৰ প্ৰমাণ। 'তৰাৰ দৰে জ্বলি থকা তোমাৰ দুচকুৰ নীলা' আৰু 'অনিদ্ৰা'ৰ হাহাকাৰত 'নীলা' আৰু অনিদ্ৰাই পঢ়ুৱৈক সচকিত কৰি তোলে। নীলা ৰঙৰ প্ৰয়োগে গুৱাহাটীৰ আন্ধাৰ/অনৈতিক ৰূপ আৰু এই ৰঙটোৰ বিস্তৃতিয়ে এক ইন্দ্ৰিয় অনুভূতিৰ/জৈৱিকতাৰো সন্ধান দিয়ে। যি জৈৱিকতাত জীৱনৰ গোন্ধ অনুপস্থিত। ৰোমাণ্টিক ঐতিহ্যৰ মাজেৰে কথনভংগীৰ সাৰল্যৰে কথকে গুৱাহাটীক কয়-

'তাৰ সপোনৰ চৰাইটোৰে

তোমাৰ বুকুত সেউজীয়া এখন লতাৰ সাঁকো সাজিব খুজিছিল

তুমি লতাবোৰ কাটি পেলাইছিলা'

ভাষাৰ সাৰল্যৰে ইয়াত কবিতাটোৰ কথকে গুৱাহাটীত সেউজীয়াৰ 'মৃত্যু 'ক ইংগিত কৰিছে। সেউজীয়া ৰং জীৱন সম্ভাৱনা আৰু শুভবোধৰ ৰূপক। কবিয়ে আক্ষেপ কৰিছে—

'তুমি তাৰ মুখত কিয় তুলি দিছা তোমাৰ ক'লা তেজৰ পিয়লা

মাতাল হৈ সি ঢলং-পলংকৈ ঘূৰি ফুৰে

অলিয়ে গলিয়ে ফুটপাথে ফুটপাথে নৰ্দমাৰ তলে তলে

গুদাম ঘৰৰ আন্ধাৰে আন্ধাৰে গাড়ী মটৰৰ ঘৰঘৰ শব্দৰ মাজে মাজে'

কবিতাটোৰ কথকে মহানগৰীয় 'সভ্যতা'ৰ গ্ৰাসত বন্দী গুৱাহাটীক ভাল নাপায়; তথাকথিত সভ্যতাৰে 'সভ্য' হৈ উঠা গুৱাহাটীকো ভাল নাপায়। 'ক'লা তেজৰ পিয়লা' কথাষাৰ খুব অৰ্থোদ্দীপক। ক'লা মৃত্যুৰ ৰঙ/জীৱন সম্ভাৱনা অস্ত হোৱাৰ দ্যোতক। গুৱাহাটীয়ে কিয় কথকৰ ওঁঠত বাকিছে 'ক'লা তেজৰ পিয়লা'। গোটেই কবিতাটো ৰঙে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। 'নীলা', 'সেউজীয়া', আৰু 'ক'লা' এই তিনিটা ৰঙৰ পৰা 'সেউজীয়া' গুৱাহাটীক বিচাৰি কথকৰ আত্মাই হাহাকাৰ কৰে। এই প্ৰসংগত জ্যোতি সংগীতৰ মাটিৰ গোন্ধই সচেতন পঢ়ুৱৈৰ চেতনাক বিজুলীয়াই যাব পাৰে-

'সেউজী সেউজী সেউজী অ'

সেউজী ধৰণী ধুনীয়া'

কবিতাটোৰ কথকে গুৱাহাটীক জনাইছে কথকৰ শেহতীয়া স্থিতি

'চিটিবাছত ওলমি এতিয়াও তাৰ আত্মাই বিচাৰি আহে

তোমাৰ অমাতৰ মাত

তাৰ উশৃংখল চুলি আৰু দাড়িৰ অস্থিৰতাৰে

তোমাৰ এই প্ৰাচীন প্ৰেমিক জনক

তুমি এতিয়া চিনি নাপাবা গুৱাহাটী

চৰাই এটাৰ স'তে

দূৰৰ পাহাৰ এটাত সি থাকে।

কথকৰ আত্মাই চিটিবাছত ওলমি অহাৰ ব্যঞ্জনাই এক কৰুণ চিত্ৰকল্পৰ স্থিৰ চিত্ৰ উন্মোচন কৰে। সেউজীয়া ৰঙৰ বিস্‌তৃতিৰে গুৱাহাটীক উপাসনা কৰা, কথকৰ আত্মা যেন 'অতৃপ্ত আত্মা'। সৰল ভংগীৰে কাৰুণ্যৰ এই অভিঘাতে কবিতাটোক স্মৰণ যোগ্য কৰি তুলিছে। 'প্ৰাচীন প্ৰেমিক' জনে গুৱাহাটীক কৈছে—

'চৰাই এটাৰ স'তে

দূৰৰ পাহাৰ এটাত সি থাকে

'চৰাই'ৰ উল্লেখেৰে প্ৰকৃতিৰ সমাহিত সৌন্দৰ্যৰ প্ৰতি কথকৰ আত্মাৰ সংযোগ চিত্ৰায়িত হৈছে। 'দূৰৰ পাহাৰ' এটাই দ্বৈতাৰ্থৰো সূচনা কৰে; মহানগৰীয়ে সভ্যতা কি দূৰৰ পাহাৰ?

মুঠতে নীলিম কুমাৰৰ গুৱাহাটী কবিতাটোত বোধ আৰু উপলব্ধিয়ে এক অতিৰিক্ত আয়তন পাইছে।

**সামৰণি:-**

আধুনিক অসমীয়া কবিতাৰ এক উল্লেখযোগ্য নাম হ'ল নীলিম কুমাৰ। তেওঁৰ 'গুৱাহাটী' কবিতাটো আধুনিক নগৰ জীৱনৰ অন্তৰ্লীন বেদনা, একাকীত্ব আৰু সময়চেতনা প্ৰতিফলিত কৰা এক অসাধাৰণ নিদৰ্শন। এই কবিতাত গুৱাহাটীৰ ৰূপকে কবিয়ে কেৱল ভৌগোলিক স্থান হিচাপে নহয়, এক মানসিক অভিজ্ঞতা ৰূপে চিত্ৰিত কৰিছে। কবিতাটোত নগৰৰ উচ্ছ্বাসৰ মাজত লুকাই থকা নিঃসঙ্গতা, প্ৰেম-অপ্ৰেমৰ জটিলতা আৰু মানৱিক সংবেদনাৰ ক্ষয়িষ্ণু ৰূপ প্ৰকাশ পাইছে। সেয়েহে, নীলিম কুমাৰৰ 'গুৱাহাটী' কবিতা আধুনিকতাবাদী কবিতাৰ বৈশিষ্ট্য — আত্মকেন্দ্ৰিকতা, বাস্তৱতাৰ বেদনাময় অনুভৱ, প্ৰতীকবাদ আৰু ভাঙনমুখী চেতনা —ৰ এক উজ্জ্বল প্ৰতিফলন। এই সমীক্ষাত্মক অধ্যয়নৰ মূল লক্ষ্য হ'ল উক্ত কবিতাটোৰ মাধ্যমে আধুনিক অসমীয়া কবিতাত থকা নগৰজীৱনৰ সংকট আৰু মানৱিক মনোভাৱৰ ৰূপ উন্মোচন কৰা।

**অধ্যয়ন কৰা গ্ৰন্থৰ তালিকা:**

১/ উপাধ্যায়, অমৃত কুমাৰ আৰু দিব্যজ্যোতি শৰ্মা। নিৰ্বাচিত অসমীয়া কবিতাৰ বিচাৰ - বিশ্লেষণ। সাতমাইল: পূৰ্বায়ণ প্ৰকাশন, ২০১৯।

২/ বৰমুদৈ, আনন্দ । আধুনিকতাৰ পৰা উত্তৰ – আধুনিকতালৈ । পানবজাৰ: বনলতা ,২০১০। দ্বিতীয় সংস্কৰণ।

৩/ মজুমদাৰ, বিমল। সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ। পানবজাৰ: জ্যোতি প্ৰকাশন,২০১১।

৪/ শইকীয়া, নগেন। সাহিত্য বাদ-বৈচিত্ৰ্য। ডিব্ৰুগড়: কৌস্তুভ প্ৰকাশন,২০২৩।